স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 ☐ NO-236 ☐ SUNDAY 2 NOVEMBER 2025 (ডিব্ৰুগড় সংস্কৰণ/DIBRU

## গীতিকাৰ-সুৰকাৰ চৈয়দ চাদুল্লাৰ বিয়োগত কানৈ কলেজত শোক

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ১ নৱেম্বৰ ঃ সুৰৰ সাধক, শব্দৰ সাধক, ব্যতিক্ৰমী কণ্ঠ ৰূপে সৰ্বত্ৰ পৰিচিত, ডিব্ৰুগড়ৰ সাংস্কৃতিক জগতৰে নহয়, সমগ্ৰ অসমৰ সাংস্কৃতিক জগতখনক উজলাই ৰখা, কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ চৈয়দ চাদুল্লাৰ ৩০ অক্টোবৰত বিয়োগত কানৈ মহাবিদ্যালয়ৰ পৰিয়াল শোকত মৰ্মাহত হৈ পৰে। শিল্পীগৰাকীৰ বিয়োগত মহাবিদ্যালয়খনৰ সমূহ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰী মিলিত হৈ এখন শোকসভা অনুষ্ঠিত কৰে। সভাত মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই কয়— ডিব্ৰুগড় অনাতাঁৰ কেন্দ্ৰৰ প্ৰতিষ্ঠা লগ্নৰ স'তে জড়িত হৈ থকা চৈয়দ ছাদ্দুল্লা ব্যতিক্ৰমী হিচাপে আছিল তেওঁৰ কণ্ঠস্বৰ। সুন্দৰ কণ্ঠস্বৰ মানুহৰ বাবে সদায় পৰিচিত হৈছিল। অনাতাঁৰ কেন্দ্ৰৰ যোগেদি ভাঁহি অহা তেওঁৰ সেই কণ্ঠ সকলোৰে মাজত পৰিচিত আছিল। ডিব্ৰুগড়ৰ সমাজ জীৱনৰ স'তে তেওঁ জড়িত হৈ প্ৰতিটো কামতে অংশ গ্ৰহণ কৰিছিল। প্ৰকৃততে চৈয়দ ছাদ্দুল্লা আছিল অসমীয়া সংগীত জগতৰ এক অদৃশ্য স্থপতি। তেওঁৰ পুণ্যাত্মাৰ সদ্‌গতিৰ অৰ্থে সভাই পৰম প্ৰেমময় ভগৱন্তৰ ওচৰত প্ৰাৰ্থনা জনায় আৰু শোকসন্তপ্ত পৰিয়ালবৰ্গৰ প্ৰতি গভীৰ আন্তৰিক সমবেদনা জ্ঞাপন কৰে।

নিয়মীয়া বাৰ্তা, দেৰগাঁও, ১ নৱেম্বৰ ঃ
সমীপৱৰ্তী আমগুৰি সমল কেন্দ্ৰৰ
বেলগুৰি প্ৰাথমিক বিদ্যালয়ৰ অৱ
সহকাৰী শিক্ষক ৰামধন চাৰহ আৰু
পেগুক বিদ্যালয় পৰিচালনা সমিতি,
বোকোৰা, আৰু চিনাইচুক গাঁৱৰ ৰাই
অক্টোবৰত আনুষ্ঠানিকভাৱে বিদায় সম্বৰ্ধন
কৰে। দুয়োগৰাকী বিদায়ী শিক্ষাগুৰুক
নামঘৰৰ ওচৰৰ পৰা বিদ্যালয়ৰ ছাত্
প্ৰাক্তন ছাত্ৰ-ছাত্ৰী আৰু গাঁৱৰ ৰাইজে ঢোে
সভাস্থলীলৈ আদৰি আনে। এই উ
আয়োজন কৰা ৰাজহুৱা সম্বৰ্ধনা
সভাপতিত্ব কৰে অৱসৰপ্ৰাপ্ত শিক্ষক দে
দাসে। বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ, অগ্ৰণী যুৱ
বেলগুৰি সুৰ্যোদয় সাংস্কৃতিক বিকাশ
সম্পাদক কন দাসে আঁত ধৰা স
দুয়োগৰাকী অৱসৰী শিক্ষাগুৰুক বি